

*বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হোৱা হাতীটো বাক্সাত, বৃহস্পতিবাৰে*

## জামুগুৰিহাটত ছাত্ৰ নিৰুদ্দেশ

**জনগণ সেৱা, জামুগুৰিহাট, ১২ অক্টোবৰ ঃ** শোণিতপুৰ জিলাৰ চতিয়া থানাৰ অন্তৰ্গত দক্ষিণ নাগশংকৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ ললিত গৌতম (১৬) ২৩ জুনৰ পৰা নিখোজ হৈ আছে। গোসাই চাপৰি পাঁচপতিপাল নিৱাসী নীলকণ্ঠ গৌতমৰ পুত্ৰ ললিত গৌতম নিজা বাসগৃহৰ পৰাই নিৰুদ্দেশ হৈ থকা ঘটনাই পৰিয়ালৰ লোকক চিন্তিত কৰি তুলিছে। পাঁচ ফুট ছয় ইঞ্চি উচ্চতাৰ ক্ষীণ মিঠাবৰণীয়া ললিত নিখোজ হোৱা ঘটনা সন্দৰ্ভত পৰিয়ালৰ লোকে স্থানীয় চতিয়া থানাত এখন এজাহাৰ দাখিল কৰিছে যদিও আজি পৰ্যন্ত কোনো সম্ভেদ উলিয়াবলৈ সক্ষম হোৱা নাই। দৰিদ্ৰ পৰিয়ালত বাস কৰা ললিত নিখোজ হোৱা ঘটনাক পৰিয়ালৰ লোকে কোনো দুষ্টচক্ৰই ছাত্ৰজনক ফুচুলাই নি বনকৰা যুৱক হিচাপে নিযুক্তি কৰিছে বুলি সন্দেহ প্ৰকাশ কৰিছে। নেপালী, অসমীয়া, হিন্দী ভাষাত বাৰ্তালাপ কৰিব পৰা ছাত্ৰজনৰ কোনো সদাশয় লোকে সম্ভেদ পালে চতিয়া থানা অথবা ৭৩৯৯২৫৮৩১৩ নম্বৰত যোগাযোগ কৰিবলৈ দৰিদ্ৰ পৰিয়ালটিয়ে অনুৰোধ জনাইছে।

## স্বচ্ছ ভাৰত অভিযানৰ ওপৰত বাটৰ নাট পৰিৱেশন

**জনগণ সেৱা, বৰবালা, ১২ অক্টোবৰ ঃ** সম্প্ৰতি ভাৰত চৰকাৰৰ গীত আৰু নাট বিভাগৰ উদ্যোগত আৰু বিভাগটোৰ পঞ্জীয়নভুক্ত আৰ্থ-সামাজিক, শৈক্ষিক, সাংস্কৃতিক অনুষ্ঠান 'অনুৰাগ' বৰপেটাৰ সহযোগত ৯ অক্টোবৰত স্বচ্ছ ভাৰত মিছন কাৰ্যক্ৰমৰ ওপৰত উদীয়মান নাট্যকাৰ ৰণজিৎ তালুকদাৰৰ দ্বাৰা ৰচিত 'জাগৰণ' নামৰ বাটৰ নাটখন বৰপেটা জিলাৰ অধীনস্থ ক্ৰমে শিলা বজাৰ, এন কে হাইস্কুল, বৰবিলা, নগাঁও বজাৰ, চেঙা এম পাৰা চ'ক আৰু চেঙা শালদিয়াপাৰাত পৰিৱেশন কৰা হয়। নাটত অভিনীত শিল্পীসকল ক্ৰমে ৰণজিৎ তালুকদাৰ, ৰণদেৱ দাস, নয়নমণি পাঠক, উৎপল ভূঞা আৰু মধুমক্ষিমা দাস।

## অসম আন্দোলনৰ কৰ্মী গোপাল বৰাৰ বিয়োগ

**জনগণ সেৱা, বটদ্ৰৱা, ১২ অক্টোবৰ ঃ** নগাঁও জিলাৰ বটদ্ৰৱা নৰোৱা সত্ৰ নিৱাসী তথা অসম আন্দোলনৰ সক্ৰিয় কৰ্মী গোপাল বৰাৰ আজি পুৱা ৭-৩০ বজাত নিজ বাসভৱনত পৰলোকপ্ৰাপ্তি হয়। বটদ্ৰৱা সত্ৰ গাঁও পঞ্চায়তৰ সভাপতি হিচাপে কেইবাটাও কাৰ্যকাল অতিবাহিত কৰা ৭৬ বছৰীয়া গোপাল বৰা যোৱা কিছুবছৰ ধৰি মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। বিশিষ্ট সমাজ সংগঠক আৰু অঞ্চলটোৰ সৰবৰহী ব্যক্তি গোপাল বৰা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ আজীৱন সদস্য হোৱাৰ লগতে বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ সমাজসেৱা আগবঢ়াইছিল। তেওঁৰ বিয়োগত বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক ব্ৰজেন কাকতি, অসম গণ পৰিষদৰ কেন্দ্ৰীয় নেতা লাচিত বৰদলৈ, বটদ্ৰৱা প্ৰেছ ক্লাব আদিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰে।

### জনজাতি অধ্যুষিত অঞ্চল ষষ্ঠ অনুসূচিত অন্তৰ্ভুক্তিৰ দাবী

# জাগীৰোডৰ পৰা সোণাপুৰলৈ জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ মানৱ শৃংখল

**জনগণ সেৱা, জাগীৰোড, ১২ অক্টোবৰ ঃ** জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত আৰু জনজাতীয় সংগঠনসমূহৰ সহযোগত আজি জাগীৰোডৰ পৰা সোণাপুৰলৈ এক মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰে। ৰাজ্যৰ ৰাজধানী ক্ষেত্ৰত উন্নয়ন প্ৰাধিকৰণ আইন ২০১৭ৰ জৰিয়তে ৰাভা আৰু তিৱা স্বায়ত্ত পৰিষদ আৰু ট্ৰাইবেল বেল্ট আৰু ব্লক ভংগ কৰাৰ চৰকাৰী ষড়যন্ত্ৰ বন্ধ কৰা, মিচিং তিৱা, ৰাভা, সোণোৱাল, ঠেঙাল আৰু দেউৰী স্বায়ত্তশাসিত পৰিষদৰ লগতে অসমৰ সকলো জনজাতি অধ্যুষিত অঞ্চল ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰা, বন অধিকাৰ স্বীকৃতি আইন ২০০৬ অনুসৰি সকলো জনজাতি বনবাসীক ভূমিস্বত্ব প্ৰদান কৰা, ট্ৰাইবেল বেল্ট আৰু ব্লকৰ পৰা সন্দেহযুক্ত নাগৰিক আৰু অবৈধ বেদখলকাৰীক শীঘ্ৰে উচ্ছেদ কৰা, বনাঞ্চল বা বনাঞ্চলৰ দাঁতিকাষৰীয়া অঞ্চলৰ পৰা জনজাতিৰ উচ্ছেদ বন্ধ কৰি পুনৰ সংস্থাপন কৰা আদি বিভিন্ন দাবী ৰূপায়ণ কৰে এই কাৰ্যসূচীত। কাৰ্যসূচীত হাতে হাতে বেনাৰ, ফেষ্টুন, প্লেকাৰ্ড আদি লৈ মহানগৰ সম্প্ৰসাৰণৰ নামত ট্ৰাইবেল বেল্ট ভংগ কৰাৰ ষড়যন্ত্ৰ বন্ধ কৰক, ট্ৰাইবেল বেল্টৰ পৰা অবৈধ বেদখলকাৰীক উচ্ছেদ কৰক, জনজাতিসকলক ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰক আদি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত ৰূপায়ণ কৰা উক্ত মানৱ শৃংখল কাৰ্যসূচীত সদৌ অসম ট্ৰাইবেল সংঘ, সদৌ তিৱা ছাত্ৰ সন্থা, নিখিল বড়ো ছাত্ৰ, কাৰ্বি ছাত্ৰ সন্থা, ৰাভা ছাত্ৰ সন্থা, দেউৰী ছাত্ৰ সন্থা, হাজং, ডিমাচা আদি মুঠ ১৯টা জনজাতীয় সংগঠনৰ নেতা-কৰ্মীৰ লগতে জনজাতীয় লোকসকলে অংশগ্ৰহণ কৰে। ইফালে এই কাৰ্যসূচীৰ পিছতে ছাৰাকুছি ডেকাচাঙত এক সংবাদমেলৰ আয়োজন কৰে জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে। সংবাদমেলত জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ মুখ্য সমন্বয়ক আদিত্য খাখলাৰী, সদৌ অসম ট্ৰাইবেল সংঘৰ সভাপতি মিলন সোণোৱাল, নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি প্ৰমোদ বড়ো, সদৌ অসম ট্ৰাইবেল যুথ লীগৰ সভাপতি ৰিমল আমচি, নিখিল ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নৃপেন খান্দা, সদৌ তিৱা ছাত্ৰ সন্থাৰ সভাপতি দীপেন মছৰং, সম্পাদক নিবন আমচি আদিৰ লগতে কেইবাটাও জনজাতীয় সংগঠনৰ কৰ্মকৰ্তা উপস্থিত থাকে।







*থিয়েটাৰ মহোৎসৱৰ সঞ্চালক আশা কুঠৰী চৌধুৰী এক সংবাদমেলত, গুৱাহাটী প্ৰেছক্লাবত*

## কেন্দুকোণাত শ্ৰীমন্ত শংকৰদেৱৰ ৫৬৯ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱৰ আয়োজন

**জনগণ সেৱা, উত্তৰ কামৰূপ, ১২ অক্টোবৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বড়াৰ পো আঞ্চলিক শাখাৰ অন্তৰ্গত কেন্দুকোণাত প্ৰাথমিক শাখাৰ উদ্যোগত ১৪ অক্টোবৰৰ পৰা দুদিনীয়াকৈ গুৰুজনাৰ ৫৬৯সংখ্যক আৱিৰ্ভাৱ মহোৎসৱৰ আয়োজন কৰা হৈছে। তদুপলক্ষে স্থানীয় লাইকুৰী প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিতব্য কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱাৰ ভাগত গুৰুআসন প্ৰতিষ্ঠা, নাম-প্ৰসংগ, গছপুলি ৰোপণ আৰু সেৱা বাহিনীৰ সাধাৰণ বৈঠকৰ লগতে সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। বিয়লি অনুষ্ঠিতব্য দিহানাম প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰাসকলে ৮৪৮৬৪২১২০১ ফোন নম্বৰযোগে যোগাযোগ কৰিব পাৰিব। আনহাতে দ্বিতীয় দিনা পুৱা পৰিৱেশ নিকাকৰণ, ধৰ্মধ্বজা উত্তোলন, ভাগৱত আৰু সাংস্কৃতিক শোভাযাত্ৰা, ভাগৱত পাঠ, দুপৰীয়া অনুষ্ঠিতব্য মুকলি সভাত কৃতী ছাত্ৰ-ছাত্ৰী, শিক্ষক, আদৰ্শ কৃষক তথা সমাজকৰ্মীক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। সন্ধিয়া বন্তি প্ৰজ্বলন তথা সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত কৰা হ'ব। অনুষ্ঠানৰ সমূহ কাৰ্যসূচীতে ধৰ্মপ্ৰাণ ৰাইজৰ সহযোগিতা কামনা কৰিছে উদ্যোক্তা সমিতিয়ে।

## ভেল্লা-কেওঁটকুছি গাঁও পঞ্চায়তত সভাপতি-সচিবৰ বিৰুদ্ধে লুণ্ঠনৰ অভিযোগ

### ৪ ঘণ্টা ধৰি জেৰা দুৰ্নীতি নিবাৰক শাখাৰ

**জনগণ সেৱা, পূব বৰপেটা, ১২ অক্টোবৰ ঃ** বিভিন্ন আঁচনিৰ লগতে ট্ৰেড লাইচেন্সৰ নামত ভেল্লা-কেওটকুছি গাঁও পঞ্চায়তত সংঘটিত বৃহৎ দুৰ্নীতি, অনিয়মৰ বিষয়ত উক্ত পঞ্চায়তত কালি দুৰ্নীতি নিবাৰক শাখাৰ এটি দল আহি সভাপতি-সচিবক জেৰা কৰে। পঞ্চায়ত দুয়োখনতে ট্ৰেড লাইচেন্সৰ নামত দীৰ্ঘদিনীয়া অভিযোগ উত্থাপন হৈছিল। কেওটকুছি গাঁও পঞ্চায়তৰ সচিব আব্দুল হালিম আৰু ভেল্লা গাঁও পঞ্চায়তৰ সচিব আব্দুল আৱালে পঞ্চায়তৰ অধীনস্থ ব্যৱসায়ী, যুৱক-যুৱতীক ট্ৰেড লাইচেন্স প্ৰদানৰ নামত ৩০০-৫০০ টকাকৈ আদায় কৰি উক্ত ধনৰ হিচাপ-নিকাচ ৰাইজক নিদিয়াকৈ সমুদায় ধন লুণ্ঠন কৰাৰ অভিযোগ উঠিছিল। সেই প্ৰসংগ লৈ কেইবাখনো দৈনিক বাতৰি কাকতে যোৱা বছৰৰ ২৯ ডিচেম্বৰত বাতৰি প্ৰকাশ কৰিছিল। কেইবামাহৰ অন্তত এক চৰকাৰী নিৰ্দেশনামতে দুৰ্নীতি নিবাৰক শাখাৰ ভিজিলেন্সৰ এটি দল বৰপেটা উন্নয়ন খণ্ডলৈ আহি কালি আবেলি প্ৰায় দুই বজাৰ পৰা সন্ধিয়া ছয় বজালৈ উক্ত বিষয়ৰ ওপৰত জেৰা অব্যাহত ৰাখে। দলটোৰে এই প্ৰতিবেদকক জনোৱা মতে, ট্ৰেড লাইচেন্সৰ নামত উত্থাপিত অভিযোগৰ ওপৰত পঞ্চায়ত দুয়োটাৰ কেছবুক, ৰচিদ আদিৰ লগতে অন্যান্য নথিপত্ৰ পৰ্যবেক্ষণ কৰিছে আৰু তাৰ ওপৰত অনুসন্ধান কৰা হ'ব বুলি জানিব পৰা গৈছে। ইয়াকে লৈ পঞ্চায়তৰ অধীনস্থ ভুক্তভোগী ৰাইজৰ মাজত উৎকণ্ঠাৰ সৃষ্টি হৈছে।

## এন আৰ এল এমৰ গ্ৰাম্য সমৃদ্ধি আৰু স্বচ্ছতা অনুষ্ঠান

**জনগণ সেৱা, বেবেজীয়া, ১২ অক্টোবৰ ঃ** এন আৰ এল এম দলংঘাট উন্নয়ন খণ্ডৰ ব্যৱস্থাপনাত ব্লক মিছন মেনেজমেণ্ট ইউনিয়নৰ গ্ৰাম্য সমৃদ্ধি আৰু স্বচ্ছতা অনুষ্ঠান যোৱা ২ অক্টোবৰৰ পৰা ১৫ অক্টোবৰলৈ উন্নয়ন খণ্ডটোৰ প্ৰতিটো গাঁও পঞ্চায়তত অনুষ্ঠিত হৈ থকা বুলি বিপিএম টিনামুনি দত্তই জানিবলৈ দিয়ে। এই কাৰ্যসূচীৰ অংশ হিচাপে আজি উন্নয়ন খণ্ডটোৰ অন্তৰ্গত কুঁজীদাহ-জামুগুৰি পঞ্চায়তৰ জামুগুৰি বজাৰগৃহ আৰু আইভেটি পঞ্চায়তৰ ৰাজহুৱা ভৱনত কৃষি সম্পৰ্কীয় এক সজাগতা শিবিৰ অনুষ্ঠিত হয়। সভাত বিপিএম টিনামুনি দত্তৰ লগতে কৃষি সম্প্ৰসাৰণ বিষয়া নিৰ্মল নাথ উপস্থিত থাকি কৃষি বিষয়ক সজাগতাৰ ওপৰত উপস্থিত দুই শতাধিক মহিলাক সচেতন হ'বলৈ আহ্বান জনাই বক্তব্য ৰাখে। আনহাতে একেই কাৰ্যসূচীৰ অংশ হিচাপে ১১ অক্টোবৰত ৰাইদঙীয়া আৰু হাতীযুঁজোৱা পঞ্চায়তত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ আৰু ঔষধ বিতৰণ কৰা হয়। উক্ত স্বাস্থ্য শিবিৰত চিকিৎসা সেৱা আগবঢ়ায় ডাঃ চন্দনা নাথ আৰু ডাঃ নলিনী কুমাৰ বৰাই।



## দিগন্ত শৰ্মাৰ মৃত্যুত শোক প্ৰকাশ

**জনগণ সেৱা, গুৱাহাটী, ১২ অক্টোবৰ ঃ** দিছপুৰ নিৱাসী ভাৰতীয় জনতা পাৰ্টীৰ এজন কনিষ্ঠ কাৰ্যকৰ্তা দিগন্ত শৰ্মাৰ আজি পুৱা আকস্মিক মৃত্যুৰ বাতৰিয়ে ভাৰতীয় জনতা পাৰ্টীৰ প্ৰতিজন কাৰ্যকৰ্তাক মৰ্মাহত কৰিছে। দিগন্ত শৰ্মাৰ মৃত্যুত বিজেপি, অসম প্ৰদেশৰ সভাপতি ৰঞ্জিত কুমাৰ দাসে গভীৰ শোক প্ৰকাশ কৰি কয় যে গুৱাহাটী ৩৩ নং ৱাৰ্ডৰ বিজেপিৰ সভাপতি হিচাপে দায়িত্ব পালনেৰে ৰাজনৈতিক জীৱন আৰম্ভ কৰি গুৱাহাটী মণ্ডলৰ সভাপতি, বিজেপি, অসম প্ৰদেশৰ ৰাজ্যিক সমিতিৰ সম্পাদক, নলবাৰী জিলা সমিতিৰ প্ৰভাৰীৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিছিল। দলটোক শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত দিগন্ত শৰ্মাৰ যথেষ্ট অৱদান আছে বুলিও উল্লেখ কৰে ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসে। দাসে তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।




## কলকাতাত ৰে'লৰ পৰা পৰি অসমৰ ব্যক্তিৰ মৃত্যু

**জনগণ সেৱা, নীলবাগান, ১২ অক্টোবৰ ঃ** কলকাতাৰ হাওৰা ষ্টেচনত ৰে'লৰ পৰা পৰি অকাল মৃত্যু হৈছে অসমৰ এজন লোকৰ। মৃত লোকজন হোজাই থানাৰ অন্তৰ্গত গোলাঘাতীয়া বস্তিৰ বাবুল আচাৰ্জী বুলি জানিব পৰা গৈছে। লোকজনে যোৱা ১৫ ছেপ্টেম্বৰত প্ৰথমে গুৱাহাটীলৈ গৈ পোনে পোনে কৰ্মসূত্ৰে ৰাওনা হৈছিল কলকাতালৈ। কিন্তু আজি পুৱা বাবুল আচাৰ্জী নামৰ লোকজন হাওৰা ষ্টেচনত ৰে'লৰ পৰা পৰি মৃত্যু হোৱা বুলি তেওঁৰ পৰিয়ালক আৰক্ষীয়ে খবৰ দিয়াৰ পাছত শোকত ভাগি পৰিছে পৰিয়ালৰ লোকসকল। ইফালে এই খবৰ পোৱাৰ লগে লগে শোকাকুল পৰিৱেশে বিৰাজ কৰিছে আচাৰ্জীৰ বাসগৃহত। আচাৰ্জীৰ পৰিয়ালৰ লোকো ৰাওনা হৈছে কলকাতালৈ। উল্লেখ্য যে মৃত বাবুল আচাৰ্জী এজন ৰং মিস্ত্ৰী বুলি পৰিয়ালৰ লোকে প্ৰকাশ কৰিছে।

**উত্তৰ-পূব সীমান্ত ৰে'লৱে**
**(নিৰ্মাণ সংস্থা)**

**উপ মুখ্য অভিযন্তা /নিৰ্মাণ**
**চিলাপথাৰ-৭৮৭০৫৯ৰ**
**কাৰ্যালয়**

শুধৰণি

নিবিদা জাননী নং উপ মুখ্য অভিযন্তা /নিৰ্মাণ /এছ পি টি আৰ /২০১৭/অক্টোবৰ/০৪, তাৰিখ ০৬.১০.২০১৭।

ওপৰোক্ত নিবিদা জাননী নম্বৰৰ জৰিয়তে প্ৰকাশিত নিবিদা নং উপ মুখ্য অভিযন্তা/নিৰ্মাণ /এছ পি টি আৰ /২০১৭/০৪ত নিম্ন- উল্লেখিত পৰিৱৰ্তনসমূহ সাধন কৰা হৈছে।

| প্ৰকাশিত হৈছিল | এতিয়া হ'ব |
|---|---|
| বন্ধ কৰাৰ তাৰিখ ঃ ০৮.১১.২০১৭ৰ ১৪.৩০ বজা | বন্ধ কৰাৰ তাৰিখ ঃ ০৬.১১.২০১৭ |
| মুকলি কৰাৰ তাৰিখ ঃ ০৯.১১.২০১৭ৰ ১১.০০ বজা | মুকলি কৰাৰ তাৰিখ ঃ ০৭.১১.২০১৭ৰ ১১.০০ বজা |
| নিবিদা তথ্যপাতিৰ মূল্য ঃ ১০,০০০.০০ টকা | নিবিদা তথ্যপাতিৰ মূল্য ঃ ৫,০০০.০০ টকা |

অন্য সকলো চৰ্ত আৰু নিৰ্দেশনাৱলীসমূহ অপৰিৱৰ্তিত থাকিব।

**মুখ্য অভিযন্তা /নিৰ্মাণ**
**উত্তৰ-পূব সীমান্ত ৰে'লৱে, চিলাপথাৰ**
**ভাৰতৰ ৰাষ্ট্ৰপতিৰ হৈ আৰু হ'কে**

### মহানগৰীত চাৰিটা তেজ সংগ্ৰহ কেন্দ্ৰ স্থাপন

## ডেংগুক লৈ সজাগতা জিলা প্ৰশাসনৰ

**জনগণ সেৱা, গুৱাহাটী , ১২ অক্টোবৰ ঃ** ডেংগু সন্দৰ্ভত কামৰূপ মহানগৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ বৈঠক আজি অনুষ্ঠিত হয়। কামৰূপ মহানগৰ জিলা স্বাস্থ্য সমিতি, গুৱাহাটী পৌৰনিগম আৰু জিলা প্ৰশাসনৰ প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত সভাখনত সভাপতিত্ব কৰে জিলা উন্নয়ন আয়ুক্ত বৰ্ণালী শৰ্মাই। সভাত উন্নয়ন আয়ুক্তগৰাকীয়ে জিলা স্বাস্থ্য সমিতি আৰু পৌৰনিগমক ডেংগু ৰোগী ধৰা পৰা মহানগৰীৰ অঞ্চলসমূহত ব্যাপক ধোঁৱা দিয়া কাম কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ মহানগৰীৰ সকলো মহাবিদ্যালয় চৌহদৰ লগতে ছাত্ৰাবাস-ছাত্ৰী নিবাসতো ধোঁৱা দিয়া কাম কৰিবলৈও নিৰ্দেশ দিয়ে। সভাত জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ গনেশ শইকীয়াই মহানগৰ জিলাত থকা ২৬১ খন মহিলা আৰোগ্য সমিতিক সক্ৰিয়কৰণৰ ওপৰত গুৰুত্ব দিয়ে। তেওঁ ইয়াৰ জৰিয়তে জনস্বাস্থ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ক্ষেত্ৰত সজাগতা বৃদ্ধিৰ কামত সমিতিসমূহক নিয়োজিত কৰা হ'ব বুলি কয়। প্ৰতিখন সমিতিয়ে ১০০ ঘৰ মানুহৰ ঘৰলৈ গৈ খোৱাপানীত ঢাকোন দিয়া, পানী ৬ দিনৰ অধিক পুৰণি হ'লে সেয়া পৰিৱৰ্তন কৰাকে ধৰি বিভিন্ন স্বাস্থ্যসন্মত দিশ সন্দৰ্ভত সজাগতা সৃষ্টি কৰাৰ লগতে মহৰ উৎপত্তি স্থলসমূহ নাইকিয়া কৰাৰ বাবেও জনগণক সজাগ কৰিব। উন্নয়ন আয়ুক্ত শৰ্মাই সকলো ব্যক্তিগত নাৰ্ছিং হ'মক ইয়াৰ ডেংগু পৰীক্ষা প্ৰতিবেদন দৈনিক জিলা স্বাস্থ্য সমিতিলৈ প্ৰেৰণৰ বাবেও নিৰ্দেশ দিয়ে। তেওঁ ডেংগুৰ প্ৰাদুৰ্ভাৱ থকা অঞ্চলত বিশেষ সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈও কয়। যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ শইকীয়াই সভাত স্বাস্থ্য বিভাগে জিলাখনৰ ৰাজধানী ৰাজ্যিক চিকিৎসালয় দিছপুৰ, পাণ্ডু এফ আৰ ইউ, হাতীগড় নগৰীয়া স্বাস্থ্য কেন্দ্ৰ আৰু ধীৰেনপাৰাৰ প্ৰসূতি আৰু শিশু কল্যাণ চিকিৎসালয়ত মুঠ চাৰিটা তেজ সংগ্ৰহ কেন্দ্ৰ স্থাপন কৰা হৈছে বুলি জনায়। ইয়াৰ পৰা তেজৰ নমুনা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিতাল (জি এম চি) আৰু মহেন্দ্ৰ মোহন চৌধুৰী হস্পিতাললৈ প্ৰেৰণ কৰা হয় বুলিও তেওঁ কয়। সম্প্ৰতি ৩০টা ফাগিং মেচিনেৰে ধোঁৱা দিয়া কাম চলি থকা বুলিও তেওঁ জনায়। সভাত জিলা মেলেৰিয়া বিষয়া এন আৰ চৌধুৰী, জি এম চিৰ চিকিৎসা বিষয়া ডাঃ অনিন্দিতা চন্দা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা প্ৰকল্প বিষয়া মোহন হাজৰিকা, জিলা মিডিয়া বিশেষজ্ঞা স্মিতা শইকীয়াকে ধৰি কেবাগৰাকীও বিষয়া উপস্থিত আছিল।



**SHORT INVITING TENDER**

No. IDEV-221/2016-17/1827

Separate sealed Tenders in plain papers affixing non-redundable court fee stamps of Rs. 8.25 (Rupees Eight and Paise Twenty Five) only are hereby invited from the eligible contractor duly registered under A.H. & Vety Department, Assam, Guwahati-03 and Diary Development Department, Assam, Khanapara, Guwahati-22 for the following works under the Special Central Assistance to STP for implementation of the FOIG schemes during 2016-17 as shown in the table below and will be received by the undersigned on or before 14.00 hours of 19th Oct, 2-17 and will be open on the same day at 14.30 hours in fron of the tenderers or their authorized representatives who wish to attend the same.

If the date of opening of Tenders happens to the a holiday/ bandh or if it is not possible to receive tenders in stipulated date for any unforeseen reason the next working day will be considered as the date for reject/ opening of the Tenders

| Sl. No. | Name of the Work | Approximate Value of Work (Rs.) | Earnest Money (Rs.) | | Time of completion |
|---|---|---|---|---|---|
| | | | @2% (General) | @1% (SC/ST/OBC) | |
| 1 | Construction of Farrowing Pen at New Pig Breeding Farm, Sonapur, Kamrup | 15,53,000.00 | 31.060.00 | 15,530.00 | 90 days |
| 2 | Construction of Bore House Cum Farrowing Pen at New Pig Breeding Farm, Sonapur, Kamrup | 15,22,000.00 | 34.440.00 | 15,220.00 | -do- |
| 3 | Construction of Grower House No. 1 at New Pig Breeding Farm, Sonapur, Kamrup | 12,74,000.00 | 25.480.00 | 12,740.00 | -do- |
| 4 | Construction of Grower House No. 2 at New Pig Breeding Farm, Sonapur, Kamrup | 12,74,000.00 | 25.480.00 | 12,740.00 | -do- |
| 5 | (a) Construction of Office Building at New Pig Breeding Farm, Sonapur, Kamrup.<br>(b) Construction of Godown at New Pig Breeding Farm, Sonapur, Kamrup.<br>(c) Construction of Electrification works at New Pig Breeding Farm, Sonapur, Kamrup. | (a) 7,30,000.00<br>(b) 6,10,000.00<br>(c) 1,00,000.00<br>T= 14,40,000.00 | 28.800.00 | 14,400.00 | -do- |
| 6 | (a) Construction of Boundary Fencing at New Pig Breeding Farm, Sonapur, Kamrup.<br>(b) Construction of covered disposal Drain with Cowdung Pit at New Pig Breeding Farm, Sonapur, Kamrup.<br>(c) Construction of a Ring Well at New Pig Breeding Farm, Sonapur, Kamrup. | (a) 15,60,000.00<br>(b) 2,36,000.00<br>(c) 1,45,000.00<br>T= 19,41,000.00 | 38.820.00 | 19,410.00 | -do- |

Detailed terms & conditions and other particulars of the work maty be had from the Engineering Section of the Directorate of A.H. & Veterinery Department Assam, Guwahati-3 during office hours.

**Sd/-**
**Director**
**A.H. & Vety Deptt. Assam**
**Chenikuthi, Guwahati-3**

*Janasanyog/C/3992/17*